# দেৱী প্ৰসাদ বাগড়োদিয়া

**প্ৰসেনজিৎ কুমাৰ গোস্বামী**

অসমৰ সমাজ আৰু সংস্কৃতিলৈ যিসকলে অৱদান আগবঢ়াই সমাজ, সাহিত্য, সংস্কৃতি, শিক্ষাৰ ক্ষেত্ৰত ওৰে জীৱন সেৱা আগবঢ়াই গৈছে সেইসকলৰ ভিতৰত অসমৰ ডিব্ৰুগড় জ্যোতিনগৰৰ নিবাসী নমস্য ব্যক্তি দেৱী প্ৰসাদ বাগড়োদিয়া অন্যতম। ১৮৮১ খ্ৰিষ্টাব্দত সুদূৰ ৰাজস্থানৰ মুকুন্দগড় গাঁৱৰ (জিলা ঝুঝুন) পৰা দেৱী প্ৰসাদ বাগড়োদিয়াৰ পূৰ্বপুৰুষ অসম তথা উত্তৰ-পূৰ্বাঞ্চললৈ আহে। ১৯৩৯ চনৰ ৮ নৱেম্বৰ তাৰিখে টেঙাখাতৰ চুঙীগাঁৱত তেখেতৰ জন্ম হয়। সেই সময়ৰ লখিমপুৰ জিলাত (বৰ্তমান ডিব্ৰুগড় জিলা) নিগাজিকৈ থিতাপি লোৱা দেৱী প্ৰসাদ বাগড়োদিয়াৰ পিতৃ শিউ ভগৱান বাগড়োদিয়াই টেঙাখাতৰ দুৰ্গম বাট ভাঙি চাহ খেতি আৰম্ভ কৰিছিল। ইয়াৰ পাছত বছৰৰ পাছত বছৰ ধৰি তেখেতৰ পুত্ৰই চাহখেতিৰ লগতে দেশৰ উন্নতিকল্পে চিন্তা কৰি আহিছে।

এইগৰাকী চাহখেতিয়কৰ মাতৃ আছিল বাসন্তী দেৱী আৰু দেৱী প্ৰসাদ আছিল মাতৃগৰাকীৰ দ্বিতীয় পুত্ৰ।

তেখেতৰ শিক্ষা জীৱন আৰম্ভ হয় অসমীয়া মাধ্যমৰ বিদ্যালয়ত। ১৯৫৭ চনত টেঙাখাত হাইস্কুলৰ পৰা দেৱী প্ৰসাদ বাগড়োদিয়াদেৱে মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ পৰা আই এ ছি আৰু পাছলৈ অসমীয়াক মূল বিষয় হিচাপে লৈ বি এ মহলালৈকে শিক্ষা লাভ কৰি ১৯৬২ চনত যোৰহাটৰ টোকলাই চাহ গৱেষণা কেন্দ্ৰত চাহ খেতিৰ বিষয়ে প্ৰশিক্ষণ গ্ৰহণ কৰি যোৱা ছটা দশক ধৰি বাগিচা পৰিচালনা কৰি আহিছে। বাগড়োদিয়া ভাৰত চৰকাৰৰ চনদপ্ৰাপ্ত মূল্য নিৰ্ণায়ক (Valuer)।

দেৱী প্ৰসাদ বাগড়োদিয়া ভাৰতীয় চাহ পৰিষদৰ প্ৰাক্তন অধ্যক্ষ। তেখেত অসম সাহিত্য সভাৰ ন্যাস পুঁজিৰ প্ৰাক্তন কোষাধ্যক্ষ আৰু সভাৰ আজীৱন সদস্য। তেখেতে চাহ খেতিৰ উপৰিও সামাজিক দায়িত্বতো আত্মনিয়োগ কৰি যথেষ্ট আন্তৰিকতাৰে কামসমূহ সম্পাদন কৰাৰ লগতে আজৰি সময় উলিয়াই সাহিত্য চৰ্চাও অব্যাহত ৰাখিছে। তেখেতৰ প্ৰকাশিত গ্ৰন্থসমূহ এনেধৰণৰ—

১। জ্যোতিসুধা—ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ নিৰ্বাচিত অংশৰ হিন্দী অনুবাদ। প্ৰকাশ ঃ ১৯৯১।

২। জ্যোতিপ্ৰভা—ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচনাৱলীৰ হিন্দী অনুবাদ। প্ৰকাশ ঃ ১৯৯৫।

৩। জ্যোতি প্ৰভা (দ্বিতীয় আৰু পৰিবৰ্ধিত সংস্কৰণ)—জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচনাৱলীৰ হিন্দী অনুবাদ। প্ৰকাশ ঃ ২০০৩।

৪। মিত-ভাষ—ড° নগেন শইকীয়াৰ মিত-ভাষৰ হিন্দী অনুবাদ। প্ৰকাশ ঃ ১৯৯৮।

৫। চাহ গছৰ কলম—চাহখেতিৰ হাতপুথি। প্ৰকাশ ঃ ১৯৯৯।

৬। সুখৰ পৃথিৱী—ইংৰাজীৰ পৰা অসমীয়ালৈ অনুবাদ। প্ৰকাশ ঃ ২০০১।

৭। মীৰা বাঈ—মীৰাবাঈৰ জীৱনী আৰু ভজন অসমীয়া ভাষাত। প্ৰকাশ ঃ ২০০১।

৮। মৃত্যু বিজয়িনী কনকলতা—বীৰেন বৰকটকীৰ গ্ৰন্থৰ হিন্দী অনুবাদ। প্ৰকাশ ঃ ২০০১।

৯। অগস্ত্য যাত্ৰা—অসমীয়া আৰু হিন্দীত (দ্বিভাষিক) বাগড়োদিয়া পৰিয়ালৰ চমু পৰিচয়। প্ৰকাশ ঃ ২০০৮।

১০। জ্যোতি প্ৰতিভা—জ্যোতিপ্ৰসাদ আগৰৱালাৰ বিষয়ে লিখা প্ৰবন্ধ সংকলন (সহঃ সম্পাদনা)।

১১। গুণমালা—মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিৰচিত গুণমালাৰ হিন্দী অনুবাদ। প্ৰকাশ ঃ ২০১০।

১২। বৰগীত—মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ বৰগীতৰ হিন্দী অনুবাদ। প্ৰকাশ ঃ ২০১৫।

১৩। নামঘোষা—মহাপুৰুষ মাধৱদেৱৰ নামঘোষাৰ হিন্দী অনুবাদ। প্ৰকাশ ঃ ২০১৭।

১৪। Jyoti Prasad Agarwala, ancestors of Tamulbari–2018.

১৫। লোকোক্তি—অসমীয়া, হিন্দী আৰু ইংৰাজী। প্ৰকাশ ঃ ২০২০

অসমীয়া সাহিত্যত অনুবাদ কাৰ্য যিদৰে আগবাঢ়িব লাগিছিল সেইদৰে চকুত লগাকৈ আগবঢ়া নাই। অনেক কালজয়ী গ্ৰন্থ আজিলৈকে অনুবাদ হোৱা নাই। হয়তো সেই অভাৱৰ কথা অনুভৱ কৰিয়েই এইগৰাকী সাহিত্যিকে অনুবাদ কৰ্ম হাতত লৈছিল। মহাপুৰুষ মাধৱদেৱৰ নামঘোষা উন্মোচন কৰি উন্মোচনী অনুষ্ঠানত অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে দেৱী প্ৰসাদ বাগড়োদিয়াৰ অনুবাদ কাৰ্যক সপ্ৰশংস দৃষ্টিৰে শলাগ লৈ তেখেতক কৃতজ্ঞতা জনাইছিল। জ্যোতি সুধা ১৯৯৯ চনত উন্মোচন কৰি ভাৰতৰ তদানীন্তন ৰাষ্ট্ৰপতি শংকৰ দয়াল শৰ্মাই তেখেতৰ অনুবাদ কাৰ্যক প্ৰশংসা কৰিছিল।

ৰাজহুৱা জীৱনতো দেৱী প্ৰসাদ বাগড়োদিয়া দেৱৰ সেৱা উল্লেখযোগ্য। সাহিত্য সৃষ্টিৰ দৰে সমাজৰ প্ৰতি থকা দায়বদ্ধতা আৰু সেৱাৰ প্ৰতি তেখেত সদায় সজাগ। তেখেতৰ হাতলৈ অহা ৰাজহুৱা দায়িত্ব সুকলমে সম্পন্ন কৰি তেখেতে আত্মতৃপ্তি লাভ কৰে। সাহিত্য সভাৰ ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয় ৰায়বাহাদুৰ ৰামেশ্বৰ লাল চহৰীয়া ভৱনৰ এই লেখকে সহকাৰী সম্পাদকৰ দায়িত্ব পালন কৰোঁতে ৰামেশ্বৰলাল চহৰীয়া ভৱনৰ অৰৱক্ষণ সমিতিৰ তেখেত আছিল সদস্য আৰু তেখেতৰ দিহা-পৰামৰ্শই অসম সাহিত্য সভাক আগবাঢ়ি যাবলৈ সুযোগ-সুবিধা দিছিল। অসম সাহিত্য সভাৰ এইগৰাকী আজীৱন সভ্যই অসম সাহিত্য সভাৰ ন্যায় পুঁজিৰ কোষাধ্যক্ষৰ পদ লাভ কৰিছিল।

প্ৰায় সাতটা দশক ধৰি বাগিচা পৰিচালনা আৰু চাহ ব্যৱসায়ৰ লগত জড়িত হোৱা দেৱী প্ৰসাদ বাগড়োদিয়াই ২০০১ চনত অসম সাহিত্য সভাৰ ডিব্ৰুগড় অধিৱেশনৰ অবৈতনিক কোষাধ্যক্ষ হিচাপে গধুৰ দায়িত্ব পালন কৰিছিল।

নিষ্ঠাৰে কৰা কামৰ মূল্যায়ন সদায়ে হয়। এই কৰ্মৰ মূল্যায়ন সময়ে কৰে। দিনটোৰ আজৰি সময়ত কিতাপ, কাগজ, কলমৰ লগতেই বেছিকৈ সময় পাৰ কৰা এইগৰাকী বিশিষ্ট সাহিত্যিক আৰু সমাজসেৱকে জীৱনত অনেক সন্মান, সম্বৰ্ধনা বঁটা লাভ কৰিছে। তাৰ ভিতৰত—১৯৯৯ চনত ভাৰত চৰকাৰৰ (হিন্দী নিৰ্দেশালয়) অনুবাদ বঁটা, ২০০২ চনত ফুলচান্দ খাণ্ডেলৱাল সংহতি বঁটা, ২০০৯ চনত অসম চৰকাৰৰ সাহিত্যিক বঁটা, ২০১১ চনত মীৰা সন্মান বঁটা—মীৰা স্মৃতি সংস্থা, চিতোৰগড়, ৰাজস্থান, ২০১৬ চনত সজ্জন জৈন স্মৃতি সাহিত্য পুৰস্কাৰ আৰু ২০১৬ চনৰ পৰা অসম চৰকাৰৰ সাহিত্যিক পেন্সন আদি উল্লেখযোগ্য।

চাহ, কৃষি, বিহু, ৰাজস্থানী পাগুৰি আদিৰ দৰে সমূহ প্ৰবন্ধ অসমীয়া আৰু হিন্দীত লিখা বাগড়োদিয়া এগৰাকী যে প্ৰকাশক সেই কথা বহুতেই নাজানে। ১৯৯৬ চনত তেখেতে ড° সত্যেন্দ্ৰ নাথ চৌধুৰীৰ ‘India's North East Industries Resources and Opportunities’ শীৰ্ষক গ্ৰন্থখন প্ৰকাশ কৰে। সেই বছৰতে কে. শাস্ত্ৰীৰ ‘নীতি-সংগ্ৰহ’ নামৰ কিতাপ এখন তেখেতৰ নিজা খৰচতেই প্ৰকাশ কৰে। তদুপৰি ১৯৯৮ চনত বিবেকানন্দ আগৰৱালাৰ ‘The Agarwala Family of Tezpur. A vignette of the Early Generations’ নামৰ গ্ৰন্থখনো তেখেতেই প্ৰকাশ কৰে।

স্বভাৱতে কৰ্মতৎপৰ দেৱী প্ৰসাদ বাগড়োদিয়াদেৱৰ মনৰ উদ্যম শলাগিবলগীয়া। জানিব পৰা মতে এইগৰাকী সন্মানীয় জ্যেষ্ঠ নাগৰিকৰ সাহিত্যৰ ক্ষেত্ৰত বহুতো পৰিকল্পনা আছে। বৰ্তমান জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্মস্থান তামোলবাৰী চাহ বাগিচাত থকা বাসগৃহটি সংৰক্ষণ কৰাৰ মানসেৰে মেৰামতি কৰাৰ কামত ব্যস্ত হৈ আছে।

ঠিকনা ঃ লাচিত নগৰ, উপপথ-১, ডিব্ৰুগড়-৭৮৬০০১